জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৬৫/২০২১

# ২০২১-২২ বৰ্ষৰ বাজেটক জনকল্যাণমুখী বুলি অভিহিত কৰিলে মুখ্যমন্ত্ৰী ড° শৰ্মাই

### বিত্ত মন্ত্ৰীক ধন্যবাদ আৰু অভিনন্দন মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ১৬ জুলাই ঃ** বিত্ত মন্ত্ৰী অজন্তা নেওগে অসম বিধান সভাত আজি দাখিল কৰা ২০২১-২২ বৰ্ষৰ বাজেটখনক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এখন জনকল্যাণমুখী বাজেট বুলি অভিহিত কৰে। মুখ্যমন্ত্ৰী শৰ্মাই কয় যে ৰাজ্যখনৰ বাবে আজি এক গৌৰৱৰ দিন। প্ৰথমবাৰৰ বাবে এগৰাকী মহিলাই বিত্ত মন্ত্ৰী হিচাপে বাজেট দাখিল কৰিলে। জনসাধাৰণৰ ওপৰত কোনো অতিৰিক্ত কৰ আৰোপ নকৰাকৈ প্ৰায় ১.০৭ লাখ কোটি টকাৰ পূৰ্ণাংগ বাজেট দাখিল কৰি তেওঁ নিৰ্বাচনৰ পূৰ্বে প্ৰদান কৰা প্ৰতিশ্ৰুতি পূৰণৰ ৰূপৰেখা দাঙি ধৰিছে। মুখ্যমন্ত্ৰীয়ে এনে এখন জনকল্যাণমুখী বাজেট দাখিলৰ বাবে বিত্ত মন্ত্ৰীগৰাকীক ধন্যবাদ আৰু অভিনন্দন জ্ঞাপন কৰে।

মুখ্যমন্ত্ৰীয়ে কয় যে বাজেটখনত মাইক্ৰ'ফাইনেন্সৰ ঋণ ৰেহাই, নিৰনুৱা যুৱকৰ বাবে কৰ্ম সংস্থাপন তথা অৰুণোদয় আঁচনিৰ হিতাধিকাৰী বৃদ্ধিৰ লগতে মাহিলী ধনৰাশিৰ পৰিমাণ এহেজাৰ টকালৈ বৃদ্ধিৰ প্ৰস্তাৱ আগবঢ়োৱা হৈছে। চৰকাৰখনে যি কৃষি বিপ্লৱৰ কথা কৈ আহিছে বাজেটখনত কৃষি আয়োগ গঠনৰ জৰিয়তে সেই দিশত গ্ৰহণ কৰিবলগীয়া পদক্ষেপৰ আভাষ দিয়া হৈছে। তেওঁ কয় যে ৰাজ্যখন যাতে কৃষিজাত, উদ্যান শস্য, দুগ্ধজাত সামগ্ৰী আৰু পশুধনৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হ'ব পাৰে তাৰ বাবে এই বাজেটৰ জৰিয়তে প্ৰয়াস কৰা হৈছে।

ৰাজ্যৰ প্ৰতিটো অংগনৱাড়ী কেন্দ্ৰত বিদ্যুৎ সংযোগ স্থাপন কৰা, গ্ৰামাঞ্চলত এহেজাৰ খনকৈ চিকিৎসালয় আৰু ৫ খন নতুন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ সম্পৰ্কে দাঙি ধৰা প্ৰস্তাৱ যুগান্তকাৰী বুলি মুখ্যমন্ত্ৰী শৰ্মাই কয়। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে সাম্প্ৰতিক ক'ভিডকালীন পৰিস্থিতিত ডিজিটেল ক্ষেত্ৰখনত দেখা দিয়া বৈষম্যই শৈক্ষিক ব্যৱস্থাটোক পংগু কৰি তোলাৰ উপক্ৰম হৈছিল। সেই দিশৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যৰ দৰিদ্ৰ শ্ৰেণীৰ প্ৰায় ৮ লাখ ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া স্মাৰ্ট ফোন প্ৰদানৰ বাবে কৰা বাজেট ঘোষণাই ডিজিটেল বৈষম্য হ্ৰাস কৰিবলৈ সক্ষম হ'ব। বাজেটখনত ৰাজহ সংগ্ৰহৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহৰো মুখ্যমন্ত্ৰী শৰ্মাই শলাগ লয়।

**বীঃগঃ**
**১৬/০৭/২০২১**